**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23-06-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত পদ্ম সন্মানসমূহ প্ৰদান কৰে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় ধবজা বহনকাৰী ১০ খন জাহাজ এতিয়াও পাৰচ্য উপসাগৰীয় অঞ্চলত থকা বুলি প্ৰকাশ কৰিছে।

৩। এল নিনোৰ বাবে পৰিব পৰা বিৰূপ প্ৰভাৱৰ সন্মুখীন হোৱাৰ বাবে কৃষকসকলক সহায় কৰাৰ উদ্দেশ্যে চৰকাৰে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

৪। জন্মু-কাশ্মীৰৰ শ্ৰীমাতা বৈষ্ণোদেৱীৰ মন্দিৰ দৰ্শন কৰা ভক্তৰ সংখ্যা চলিত বছৰৰ ২২ জুন পৰ্যন্ত ৫০ লাখ অতিক্ৰম কৰিছে। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পৰ্টুগাল-উজবেকিস্তানৰ আৰু ইংলেণ্ড-ঘানাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত পদ্ম সন্মানসমূহ প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক পি নাৰায়ণক সাহিত্য আৰু শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্ম বিভূষণ প্ৰাক্তন ন্যায়াধীশ কে টি থ'মাছক সমাজ সেৱাৰ বাবে পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰা হয়। প্ৰাক্তন টেনিছ খেলুৱৈ বিজয় অমৃতৰাজ, অভিনেতা মামতি আৰু নেপথ্য গায়িকা অলকা য়াগনিকলৈ পদ্ম ভূষণ সন্মান আগবঢ়োৱা হয়। চৰকাৰে চলিত বৰ্ষত ১৩১ গৰাকী ব্যক্তিলৈ পদ্ম সন্মান আগবঢ়াইছে। ইয়াৰ ভিতৰত ৫ গৰাকীক পদ্মবিভূষণ, ১৩ গৰাকী পদ্মভূষণ আৰু ১১৩ গৰাকী পদ্মশ্ৰী সন্মানেৰে বিভূসিত কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে ভাৰতীয় ধবজা বহনকাৰী ১০ খন জাহাজ এতিয়াও পাৰচ্য উপসাগৰীয় অঞ্চলত থকা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে যোৱা ১৭ জুনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱাৰ পাছৰে পৰা ভাৰত অভিমুখী এঘাৰ খন জাহাজে হৰমুজ প্ৰণালী অতিক্ৰম কৰিছে। মন্ত্ৰালয়ে পশ্চিম এছিয়াৰ সৈতে জড়িত ঘটনাক্ৰম সুক্ষ্মভাৱে নীৰিক্ষণ কৰি আছে বুলি তেওঁ মন্তব্য কৰে।

কাটাৰৰ বিস্ফোৰণ সন্দৰ্ভত শ্ৰীজয়ছোৱালে কয় যে এই ঘটনাত ১২ গৰাকী ভাৰতীয় নাগৰিকে প্ৰাণ হেৰুৱাইছে। তেওঁ কয় যে এই ঘটনাত মুঠ ৫৬ জন লোক আহত হৈছে আৰু তেওঁলোক সম্প্ৰতি চিকিৎসাধীন হৈ আছে। শ্ৰীজয়ছোৱালে কয় যে নতুন দিল্লী মহলে বিস্ফোৰণত নিহত ভাৰতীয়সকলৰ মৃতদেহ স্বদেশলৈ ঘুৰাই অনাৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে কাটাৰ চৰকাৰৰ সৈতে একেলগে কাম কৰি আছে।

পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাজা আছিফে পাকিস্তান অধিকৃত কাশ্মীৰৰ পৰিস্থিতি সন্দৰ্ভত কৰা মন্তব্য সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰ গৰাকীয়ে কয় যে চুবুৰীয়া ৰাষ্ট্ৰখনে নিজৰ ব্যৰ্থতা গাপ দিয়াৰ মানৱ অধিকাৰ

হননৰ ঘটনাৰ পৰা মনোযোগ অন্যফালে ঢাল খুওৱাৰ বাবে এনেধৰণৰ মন্তব্য কৰি আহিছে। পাকিস্তানৰ অৰ্থনৈতিক শোষণ, মৌলিক অধিকাৰৰ পৰা বঞ্চিত কৰা আৰু প্ৰশাসনিক দমন নীতিৰ বাবে পাকিস্তান অধিকৃত কাশ্মীৰত প্ৰতিবাদ চলি আছে বুলি তেওঁ স্পষ্ট কৰে। ব্ৰীকচ্ ৰাষ্ট্ৰগোষ্ঠীৰ সুৰক্ষা উপদেষ্টাসকলৰ বৈঠক সন্দৰ্ভত মত প্ৰকাশ কৰি শ্ৰীজয়ছোৱালে কয় যে ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালে বৈঠকত ভাগ লোৱাৰ সুযোগতে ইৰাণ ইথিঅ'পিয়া, চীন, ব্ৰাজিল আৰু দক্ষিণ কোৰিয়াৰ সুৰক্ষা উপদেষ্টাসকলৰ সৈতে বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁ কয় যে এই বৈঠকত অপৰম্পৰাগত সুৰক্ষা প্ৰত্যাহ্বান দূৰ কৰা আৰু নতুন গোলকীয় ভাবুকিৰ প্ৰতি সমুহীয়া সঁহাৰি ব্যৱস্থা সুদৃঢ়কৰণৰ বিষয়কেইটাই আগস্থান লাভ কৰে।

ভাৰত - সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ- ইউ এ ইৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতা সম্পৰ্কে মুখপাত্ৰগৰাকীয়ে কয় যে দেশখনৰ সৈতে বিগত কেইটামান বছৰত ভাৰতৰ সম্পৰ্ক ক্ৰমাৎ সুদৃঢ় হৈছে আৰু এই ক্ষেত্ৰত প্ৰতিযোগিতা সহযোগিতাই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বাংলাদেশত ভগৱানৰ মূৰ্তি আৰু ছবি লণ্ডভণ্ড কৰা বুলি ওলোৱা বাতৰি সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত শ্ৰীজয়ছোৱালে কয় যে বাংলাদেশ চৰকাৰে এই ঘটনাৰ সৈতে জড়িত উগ্ৰবাদীসকলক নিয়ন্ত্ৰণ কৰিব আৰু দেশখনত বাস কৰা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তা নিশ্চিত কৰিব বুলি নতুন দিল্লী মহলে আশা কৰে।

ooooo

এল নিনোৰ বাবে মৌচুমী বতাহৰ ফলত এইবাৰ স্বাভাৱিকতকৈ কম বৰষুণৰ পৰিপ্ৰেক্ষিতত পৰিব পৰা বিৰূপ প্ৰভাৱৰ সন্মুখীন হোৱাৰ বাবে কৃষকসকলক সহায় কৰাৰ উদ্দেশ্যে চৰকাৰে আগতীয়া ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত শ্ৰীচৌহানে কয় যে, দেশত বৰ্তমানলৈকে স্বাভাৱিকতকৈ প্ৰায় ৪৩ শতাংশ ঘাটি বৰষুণ হৈছে আৰু এইবেলি জুলাইতো মৌচুমী বতাহৰ প্ৰভাৱ কম হোৱাৰ সম্ভাৱনা আছে। তেওঁ কয় যে এইবেলি স্বাভাৱিকতকৈ কম বৰষুণৰ ফলত দেশৰ প্ৰায় ৩১৫ খন জিলা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে আৰু ইয়াৰ ভিতৰত সীমিত জলসিঞ্চন ব্যৱস্থা থকা ১১১ খন উচ্চ অগ্ৰাধিকাৰপ্ৰাপ্ত জিলা আছে। শ্ৰীচৌহানে কয় যে ৰাজ্যসমূহক কম পানীৰ প্ৰয়োজন হোৱা দাইল, গোটাদানাযুক্ত আৰু তৈল বীজৰ দৰে শস্য প্ৰসাৰত গুৰুত্ব আৰোপ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। খেতিয়কসকলক সময়মতে পথ প্ৰদৰ্শন কৰাৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষি বতৰ বিজ্ঞান গোট আৰু এছ এম এছ, ৱাটছএপ, কলচেণ্টাৰ, ৰেডিঅ', টিলিভিছন আৰু সামাজিক মাধ্যমৰ দৰে অন্য পৰামৰ্শ মাধ্যমসূহ ব্যৱহাৰ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীচৌহানে কয় যে বাস্তৱিক সময় ভিত্তিক তথ্য আৰু দিহা পৰামৰ্শৰ পৰ্যালোচনা কৰাৰ বাবে দিল্লীত নিৰীক্ষণ কোষ আৰু বতৰ পৰ্যবেক্ষণ গোট স্থাপন কৰা হৈছে।

শ্ৰীচৌহানে কয় যে পশুধনৰ বাবে খাদ্যৰ উপলভ্যতা, ফচল বীমাৰ ব্যাপক সম্প্ৰসাৰণ আৰু খেতিয়কৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ডৰ দ্ৰুত বিতৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয় যে এই পদক্ষেপসমূহে পৰ্যাপ্ত বৰষুণ নোহোৱাৰ ফলত শস্যৰ ক্ষতি হলে লোকচান হ্ৰাস কৰাত সহায় কৰিব।

ooooo

গুৱাহাটীৰ কৰ ভৱনত আজি পি আই বি গুৱাহাটী আৰু এছ বি আইৰ উদ্যোগত বাৰ্তালাপ শীৰ্ষক সংবাদ মাধ্যমৰ এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত বিত্তীয় অন্তৰ্ভুক্তিৰ জৰিয়তে সৰলীকৰণ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। বিগত ১২ বছৰৰ বিশ্বাস, বিকাশ আৰু জন-কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভতো কৰ্মশালাত আলোচনা কৰা হয়। পি আই বিৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালকপ্ৰধান কৃপাশংকৰ যাদৱে উদ্বোধন কৰা এই কৰ্মশালাত ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াৰ আঞ্চলিক সঞ্চালক

সুস্মিতা ফুকন, নাবার্ডৰ মুখ্য মহা-প্ৰৱন্ধক লোকেন দাস, আই আই বি এমৰ অধ্যাপক ড০ অভিজিত শৰ্মা আৰু এছ্ বি আইৰ মুখ্য মহা-প্ৰৱন্ধক অতুল ৰাথিয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠানটিৰ সঞ্চালনা কৰে পি টি আই গুৱাহাটীৰ মুখ্য সংবাদদাতা ত্ৰিদিপ লহকৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি এইমছ্ গুৱাহাটীৰ উদ্যোগত সংবাদ কৰ্মীসকলৰ বাবে স্বাস্থ্য শিৱিৰো মুকলি কৰা হয়।

০০০০০

জম্মু-কাশ্মীৰৰ শ্ৰীমাতা বৈষ্ণোদেৱীৰ পবিত্ৰ গুহা দৰ্শন কৰা ভক্তৰ সংখ্যা চলিত বছৰৰ ২২ জুন পৰ্যন্ত ৫০ লাখ অতিক্ৰম কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ৫০ লাখ ৭০ হাজাৰ ভক্তই এতিয়ালৈকে মাজৰাণীৰ আশীৰ্বাদ বিচাৰি তীৰ্থযাত্ৰা কৰিছে। যোৱা বছৰৰ এই একে সময়তে ৩৯ লাখ ৮৪ হাজাৰ ভক্তৰ মাতা বৈষ্ণোদেৱী দৰ্শন কৰাৰ তুলনাত এইবাৰ তীৰ্থযাত্ৰীৰ সংখ্যা উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে। চলিত বছৰত ১০ লাখ ৮৬ হাজাৰ দৰ্শনাৰ্থীৰ সংখ্যা বৃদ্ধি সামগ্ৰিকভাৱে তীৰ্থযাত্ৰীৰ সংখ্যা চকুত লগাকৈ বৃদ্ধি কৰাৰ কথা প্ৰতিফলিত কৰিছে। তীৰ্থযাত্ৰীৰ সংখ্যা বৃদ্ধিয়ে সমগ্ৰ দেশৰ লগতে বিদেশৰ তীৰ্থযাত্ৰীসকলৰ এই পবিত্ৰ ধৰ্মস্থানৰ প্ৰতি থকা গভীৰ বিশ্বাস আৰু আস্থাকে সূচায়। দেশৰ ভিতৰতে অন্যতম গুৰুত্বপূৰ্ণ এই আধ্যাত্মিক তীৰ্থস্থানৰ জনপ্ৰিয়তাৰ বাবে মাতা বৈষ্ণোদেৱী যাত্ৰা কৰা ভক্তৰ সংখ্যা বৃদ্ধি হৈছে।

ইপিনে, সমাগত অমৰনাথ যাত্ৰাৰ প্ৰস্তুতিৰ অংশ হিচাপে জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীসমূহে অমৰনাথ মূল শিবিৰত সৰ্বাত্মক আখাৰা সম্পন্ন কৰে। এই আখাৰাৰ সময়ত ৰাষ্ট্ৰীয় সুৰক্ষা বাহিনী, জম্মু-কাশ্মীৰ আৰক্ষীৰ বিশেষ অভিযান গোট আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীয়ে যুটীয়াভাৱে মূল শিবিৰৰ চৌহদত নিচিদ্ৰ অভিযান চলায়। এই আখৰাত বিভিন্ন সংস্থাৰ মাজত সমন্বয় বৃদ্ধি কৰাৰ বাবে আৰু সম্ভাব্য যিকোনো নিৰাপত্তামূলক ভাবুকিৰ সময়ত খৰতকীয়া সঁহাৰি নিশ্চিত কৰাৰ অনুশীলন কৰা হয়।

০০০০০

দিল্লী উচ্চ ন্যায়ালয়ে ১৯৯৩ চনৰ কলকাতা বৌবাজাৰ এলেকাত সংঘটিত বিস্ফোৰণৰ ঘটনাত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত এগৰাকী অপৰাধীক সময়ৰ পূৰ্বে মুকলি কৰি দিবলৈ দিয়া ৰায়ত উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ দিছে। নায়াধীশ পি কে মিশ্ৰা আৰু ন্যায়াধীশ সঞ্জীৱ সচদেৱাক লৈ গঠিত এখন বিচাৰপীঠে আজি পশ্চিমবংগ চৰকাৰে দাখিল কৰা আবেদনৰ ভিত্তিত এই ৰায় প্ৰদান কৰে। আবেদনখনত উচ্চ ন্যায়ালয়ে যোৱা ৫ জুনত ৭৭ বছৰীয়া অপৰাধী মহম্মদ ৰাছিদ খানক ততালিকে মুকলি কৰি দিবলৈ দিয়া নিৰ্দেশক প্ৰত্যাহ্বান জনোৱা হৈছিল। ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ আবেদনমৰ্মে সন্ত্ৰাসবাদী আৰু কূটাঘাতমূলক কাৰ্য প্ৰতিৰোধী আইন টাডাৰ কঠোৰ ব্যৱস্থাৰ অধীনত দোষী সাব্যস্ত হোৱা খানলৈ জাননীও জাৰি কৰে।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি হিউষ্টেনত হ'বলগীয়া গ্ৰুপ-কেৰ এখন খেলত পৰ্টুগাল-উজবেকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে দহ বজাত আৰম্ভ হ'ব। ইপিনে বষ্টনত নিশা ডেৰ বজাত গ্ৰুপ এলৰ এখন খেলত ইংলেণ্ড-ঘানাৰ সন্মুখীন হ'ব। একেটা গ্ৰুপৰ পুৱতি নিশা চাৰে চাৰে বজাত কানাডাত হ'বলগীয়া আন এখন খেলত ক্ৰ'ৱেচিয়া -পানামাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কাইলৈ পুৱা চাৰে সাত ব জাত হ'বলগীয়া গ্ৰুপ কেৰ এখন খেলত কলম্বিয়া -কংগোৰ সন্মুখীন হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ